REP-1

# পঢ়োঁ আহা (দ্বিতীয় শ্ৰেণী)

## (শিক্ষকৰ বাবে)

## ২০১৬




শিক্ষক/ শিক্ষয়িত্ৰীৰ নাম ঃ ..........................................................................................

বিদ্যালয়ৰ নাম ঃ ..........................................................................................

জিলা ঃ ..........................................................................................

শিক্ষাখণ্ড.......................................................মণ্ডল সমল কেন্দ্ৰ..............................................

শিক্ষাৰ অধিকাৰ

unicef
unite for children

**‘PADHO AHA’** - An Instructional Design in Assamese for teachers of Class-II, devloped & reveiewed by State Resource Group (SRG) of Reading Enhancement Programme (REP) through workshop mode.

---

**ALL RIGHTS RESERVED : No reproduction in any form of this document, in whole or in part (except for brief quotation in critical articles or reviews), may be made without written authorization from SSA, Assam and UNICEF.**

গ্ৰন্থস্বত্ব ঃ সৰ্বশিক্ষা অভিযান, অসম

প্ৰথম প্ৰকাশ ঃ ২০১৬

**email id : repassam@gmail.com**

**Toll Free Number : 18003453525**

# বাৰ্তা

১। পঠনৰ একমাত্ৰ উদ্দেশ্য হ'ল পঢ়ি বুজি পোৱা।

২। শ্ৰেণীৰ পাঠ আদান-প্ৰদানত প্ৰতি গৰকী শিশুৰ অংশ গ্ৰহণ সুনিশ্চিত কৰিব লাগে কিয়নো শিশুৰ শিকন তেতিয়াহে সম্ভৱ হয় যেতিয়া তেওঁলোক সক্ৰিয়ভাৱে জড়িত হয়।

৩। বুজি পোৱা আৰু সলসলীয়াকৈ পঢ়িব পৰা দক্ষতা পৰস্পৰে পৰস্পৰৰ পৰিপূৰক।

৪। সকলো শিশুৱে শিকিব পাৰে যদিহে পৰ্যাপ্তভাৱে শিকাৰ সুবিধা পায়।

৫। আৰম্ভণিতে যদি শিশুৱে সঠিকভাৱে পঢ়িব নোৱাৰে পৰৱৰ্তী সময়ত তেওঁলোকৰ এক পূৰাব নোৱাৰা পঠন ঘাটি হয়।

৬। বহু সময়ত দেখা যায় যে শিক্ষকে তেওঁৰ লগে লগে ছাত্ৰ-ছাত্ৰীক আঙুলি বুলাই পাঠ আওৱাব/পঢ়িবলৈ দিলেও প্ৰকৃততে ছাত্ৰ-ছাত্ৰী সকলে শিক্ষকৰ উচ্চাৰণ খিনিহে আওৰাই যায়। তেওঁলোকে পাঠত থকা শব্দ আৰু শিক্ষকৰ আদৰ্শ উচ্চাৰণৰ মাজত সংগতি নাৰাখে। এই ক্ষেত্ৰত শিক্ষক সকল সচেতন হ'ব লাগে।

৭। ছাত্ৰ-ছাত্ৰীৰ বৰ্ণ-শব্দৰ খৰতকীয়া পঠন দক্ষতা আহৰণ হ'লেহে তেওঁলোকৰ বাক্য/দফা পঠন ফলপ্ৰসু হয়। অৱশ্যে, বৰ্ণ-শব্দৰ খৰতকীয়া পঠন দক্ষতা থাকিলেও বাক্য/দফা পঠন ফলপ্ৰসু নহ'ব পাৰে যদিহে, ছাত্ৰ-ছাত্ৰীৰ শব্দ ভাণ্ডাৰ যথাযথ আৰু চহকী নহয়। সেয়েহে, শব্দ ভাণ্ডাৰ বৃদ্ধি কৰাটো এক গুৰুত্বপূৰ্ণ দিশ।

৮। যি সকল ছাত্ৰ-ছাত্ৰীৰ বৰ্ণ-শব্দ পঠনত দুৰ্বলতা থাকি যায় সেই সকলক বাক্য পঠন কৰিবলৈ দিলে তেওঁলোকে বাক্যটোৰ প্ৰতিটো শব্দ শুদ্ধকৈ পঠন কৰাত যথেষ্ট কষ্ট আৰু যুঁজ কৰিব লগা হয়। ফলত তেওঁলোকৰ লক্ষ্য হৈ পৰে মূলতঃ শব্দৰ পঠনৰ বাবে যুঁজ কৰা। সেয়েহে, তেওঁলোকে বাক্যৰ অৰ্থ বুজি পাবলৈ অপাৰগ হয়।

৯। 'পঢ়োঁ আহা' কাৰ্যক্ৰমটো ফলপ্ৰসূ তেতিয়াহে হ'ব যেতিয়া এই কাৰ্যক্ৰমণিকাত শিক্ষক-শিক্ষয়িত্ৰী, পিতৃ-মাতৃ, অভিভাৱক, বিদ্যালয় পৰিচালনা সমিতি, মাতৃগোট, সমাজৰ তথা শিক্ষা ব্যৱস্থাৰ লগত জড়িত সকলোৰে সক্ৰিয় অংশ গ্ৰহণ আৰু সহায় সহযোগিতা সুনিশ্চিত হ'ব।

# আগকথা

আমাৰ অসম ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়ৰ শিকাৰু সকলৰ পঠন কৌশল বিকাশৰ লক্ষ্যৰে 'সৰ্বশিক্ষা অভিযান মিছন, অসম'ৰ উদ্যোগত পৰীক্ষামূলকভাৱে ১২ খন জিলাৰ (বৰপেটা, বঙাইগাওঁ, ধেমাজী, ধুবুৰী, ডিব্ৰুগড়, গোৱালপাৰা, যোৰহাট, মৰিগাওঁ, নগাওঁ, নলবাৰী, শিৱসাগৰ আৰু তিনিচুকীয়া) কিছু সংখ্যক বিদ্যালয়ত 'পঢ়োঁ আহা' কাৰ্যক্ৰম ৰূপায়ন কৰি থকা হৈছে। এই কাৰ্যক্ৰম অনুসৰি শিক্ষকসকলক 'পঢ়োঁ আহা'ৰ বিভিন্ন কাৰ্যসূচীৰ প্ৰশিক্ষণ দিয়া হৈছে। এই কাৰ্যক্ৰমৰ জৰিয়তে শিকাৰুসকলৰ পঠন দক্ষতা যথাযথ ভাৱে বিকাশ কৰাৰ প্ৰয়াস কৰা হৈছে। এই ক্ষেত্ৰত শিশুৰ পঠন লিখনৰ দক্ষতা বৃদ্ধিৰ বাবে মৌখিক ভাষা বিকাশক এক অন্যতম কৌশল হিচাপে লৈ শিকনৰ ব্যৱস্থা কৰা হৈছে। শিশুসকলক এক মুকলি চিনাকি পৰিৱেশৰ জৰিয়তে মূল শিকনীয় দিশলৈ আগবঢ়াই নিয়াৰ বাবে প্ৰয়োজনীয় বিভিন্ন আহিলা (যিবোৰ স্থানীয় সমল সততে পোৱা যায়) ব্যৱহাৰৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। কেৱল আখৰ বা শব্দ পঠনৰ ক্ষেত্ৰত গুৰুত্ব দিয়াৰ উপৰি ইয়াত শিশুসকলৰ মৌখিক ভাষা বিকাশ, পঠন আৰু লিখনৰ বাবেও অধিক ক্ৰিয়াকলাপ কৰোৱাৰ ব্যৱস্থা লোৱা হৈছে। ইয়াৰ বাবে প্ৰয়োজনীয় সমলসমূহ সকলো শিশুৰ উপযোগী কৰি প্ৰস্তুত কৰা হৈছে।

গতিকে এই 'পঢ়োঁ আহা' শিক্ষকৰ হাত পুথিখনৰ আৰ্হিত শ্ৰেণী কক্ষত পাঠ আদান-প্ৰদান কৰিবলৈ শিক্ষকসকলৰ বাবে সুবিধা হ'ব আৰু শিশুসকলৰ শিকনত এক গুৰুত্বপূৰ্ণ অৰিহণা যোগাব বুলি আশা কৰা হৈছে। তাৰোপৰি শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সহায়ক হিচাপে এখনি "ক্ৰিয়াকলাপৰ সমল ভাণ্ডাৰ" নামৰ পুথিও যোগান ধৰা হৈছে। য'ত শিক্ষকৰ হাত পুথিত দিয়া নিৰ্দেশনা অনুসৰি বিভিন্ন ক্ৰিয়া-কলাপবোৰ আৰ্হি হিচাপে দিয়া হৈছে। এই ক্ৰিয়া-কলাপবোৰ যেনে - সাধু কথন, ভঙ্গীমা গীত, নিচুকনি গীত, ওমলা গীত, সাঁথৰ আদিবোৰ ইয়াৰ পৰা লৈ শ্ৰেণীকোঠাৰ পাঠদানত ব্যৱহাৰ কৰিব পাৰে। প্ৰয়োজনবোধে শিক্ষক-শিক্ষয়িত্ৰীয়ে ইয়াত দি থোৱা আৰ্হিৰ বাহিৰেও ওপৰঞ্চি হিচাপে নিজাববীয়াকৈ প্ৰস্তুত আৰু সংগ্ৰহ কৰি ল'ব লাগিব।

# শিক্ষকলৈ দু-আষাৰ

"শিক্ষাৰ অধিকাৰ আইন-২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু আন ধৰণে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে। প্ৰতিজন শিশুৱে প্ৰাথমিক শিক্ষা লাভ কৰাটো বাধ্যতামূলক।

বিভিন্ন চৰকাৰী,বেচৰকাৰী, স্বেচ্ছাসেৱী অনুষ্ঠান আদিৰ অধ্যয়ন তথা গৱেষণাৰ তথ্য অনুসৰি জানিব পৰা গৈছে যে কিছু কিছু বিদ্যালয়ত মৌখিক ভাষা বিকাশৰ বাবে কৰিবলগীয়া ক্ৰিয়া-কলাপৰ প্ৰতি গুৰুত্ব দিয়া পৰিলক্ষিত নহয়। যাৰ ফলত শিকাৰুৰ শ্ৰৱণ-বোধ, কথন বিকাশ নহয়। উক্ত তথ্যসমূহৰ ভিত্তিত ছাত্ৰ-ছাত্ৰীৰ পঠন অগ্ৰগতিৰ কাৰণে 'পঢ়োঁ আহা' শিক্ষকৰ হাতপুথিখন প্ৰস্তুত কৰা হৈছে। পুথিখনি প্ৰস্তুতকৰণৰ ক্ষেত্ৰত 'পঠন' বিষয়ত বিশেষ পাৰদৰ্শী ব্যক্তি আন্তৰ্জাতিক শিক্ষাবিদ ড° ধীৰ ঝিংৰাণ দেৱৰ তত্ত্বাৱধানত ৰাজ্যিক শৈক্ষিক সমল গোটে আগভাগ লৈছে। আশা কৰা হৈছে পুথিখনৰ জৰিয়তে শিশুসকলক পঠনত আগবঢ়াই নিয়াত সুবিধা হ'ব। ইয়াত এনে ধৰণৰ ক্ৰিয়া-কলাপৰ ব্যৱস্থা লোৱা হৈছে য'ত অভিভাৱকসকলেও নিজৰ নিজৰ শিশুক মৌখিক ভাষা শিকনত সহায় কৰিব পাৰিব।

তলত মন কৰিবলগীয়া কেইটামান কথা উল্লেখ কৰা হ'ল—

১। ওমলাগীত, নিচুকনিগীত, সাধুকথা, ছবি পাঠ, ছবিৰ কাহিনী, অংশীদাৰী পঠনৰ বাবে প্ৰয়োজনসাপেক্ষে পাঠ্যপুথিও ব্যৱহাৰ কৰিব পাৰিব।

২। প্ৰথম শ্ৰেণীৰ বাবে বেছি দীঘল বাক্যৰ পাঠ ল'ব নালাগে (সাধু, কাহিনী আদি)।

৩। প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ বাবে সৰৱ পঠন আৱশ্যকীয়। শিকাৰুক শুদ্ধ উচ্চাৰণ আৰু স্পষ্টকৈ পঢ়াৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে।

৪। প্ৰতিজন শিকাৰুৰ পঠন আয়ত্তকৰণ নিশ্চিত নোহোৱালৈকে বাৰে বাৰে পঠনৰ অনুশীলন কৰোৱাব লাগে।

৫। স্থানীয় প্ৰচলিত সমল যেনে— স্থানীয় প্ৰচলিত গীত মাত, সাধু, সাঁথৰ আদি শিকাৰুক ক'বলৈ/গাবলৈ দিব।

৭। প্ৰতিজন শিকাৰুৰ প্ৰতিটো কাৰ্যৰ মূল্যায়ন কৰাটোও নিশ্চিত কৰিব লাগে।

৮। শিকনৰ আদি স্তৰত মৌখিক ভাষা বিকাশৰ ক্ৰিয়া-কলাপৰ লগত পঢ়িবলৈ শিকাৰ এক গুৰুত্বপূৰ্ণ সম্পৰ্ক আছে।

৯। পঠন দক্ষতা নাথাকিলে এটি শিশুৱে কোনো বিষয়কে আয়ত্ত কৰিব নোৱাৰে।

১০। প্ৰতিজন শিশুৱেই পঢ়ি বুজি পোৱাৰ বিষয়ত শিক্ষকে গুৰুত্ব দিব লাগিব।


১১। বিদ্যালয়ৰ সময়সূচীত ভাষাৰ বাবে দুটা পিৰিয়ড নিৰ্দ্দিষ্টকৈ ৰাখিব লাগিব।

১২। শিশুৰ পঠন কৌশল বিকাশৰ বাবে আছুতীয়াকৈ এটা পঠন পিৰিয়ডৰ ব্যৱস্থা গ্ৰহণ নিশ্চিত কৰিব।

১৩। ভাষাৰ পিৰিয়ডৰ প্ৰথম ১০ মিনিট সময় আগদিনাৰ কাৰ্যৰ মূল্যায়ন হ'ব লাগে।

১৪। পঠনৰ কৃতকাৰ্যতাই বিদ্যালয়ৰ শৈক্ষিক উন্নয়নৰ মাপকাঠি।

১৫। ভাষা বিষয়ৰ পাঠদান দৈনিক তলত দিয়া মূল চাৰি ধৰণৰ ক্ৰিয়া-কলাপৰ যোগেদি হ'ব লাগিব।




১৬। আদি অৱস্থাত শিশুক ঘৰুৱা ভাষাত কথা ক'বলৈ উৎসাহিত কৰি পিছলৈ মান্য ভাষালৈ অনাৰ বাবে প্ৰয়াস কৰিব।

১৭। শিক্ষকে এই হাতপুথিখনত দিয়া ক্ৰিয়া-কলাপৰ উপৰিও স্থানীয় সমলৰ সহায়ত পাঠদান দিয়াৰ ব্যৱস্থা কৰিব।

## দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে আহৰণ কৰিবলগীয়া ভাষাৰ অৰ্হতাসমূহ

১) মৌখিকভাৱে শুনা বিষয়ৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দিব পৰা।

২) ওমলা গীত, পদ্য শুনি শুদ্ধ উচ্চৰণেৰে গাব পৰা।

৩) পদ্য সুৰ লগাই পঢ়িব পৰা, আবৃত্তি কৰিব পৰা।

৪) যুক্তাক্ষৰ উচ্চাৰণ কৰিব পৰা, যুক্তাক্ষৰ গঠন কৰিব পৰা আৰু ভাঙিব পৰা।

৫) যুক্তাক্ষৰযুক্ত চিনাকি শব্দৰ সহায়ত বাক্য লিখিব পৰা।

৬) ছবিত থকা ঘটনাবোৰ ক্ৰমত ক'ব পৰা আৰু লিখিব পৰা।

৭) সৰু সৰু বৰ্ণনামূলক পাঠ, কাহিনী, সাধু আদি পঢ়ি বুজি পোৱা আৰু পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ মৌখিক আৰু লিখিত ৰূপত দিব পৰা।

৮) সহজ-সৰল সাধু, সৰু-সুৰা ঘটনা শুনি বুজি ক'ব পৰা আৰু লিখিব পৰা।

৯) সাধু, কাহিনী আদিত থকা চৰিত্ৰৰ অভিনয় কৰিব পৰা আৰু নাট, ভাওনা আদিৰ বচন শুনি বুজি পোৱা, সংলাপ ক'ব পৰা।

১০) শেষৰ ধ্বনি মিল থকা শব্দ ক'ব পৰা আৰু লিখিব পৰা।

১১) বিপৰীত শব্দ, সমাৰ্থক শব্দ ক'ব পৰা আৰু লিখিব পৰা।

১২) যতি বিৰাম চিনৰ ব্যৱহাৰ জনা।

১৩) কোনো পৰিচিত বস্তু/ঘটনা আদিৰ ওপৰত নিজাববীয়াকৈ ৪/৫ টা বাক্য ক'ব পৰা, লিখিব পৰা।

**"পঠন কাৰ্যসূচী চলি থকা বিদ্যালয়ত ভাষাৰ বাবে দৈনিক দুটাকৈ পিৰিয়ড ধাৰ্য কৰা হৈছে"**

# দ্বিতীয় শ্ৰেণীৰ ভাষাৰ শিকনীয় দিশ (পৰ্যায় অনুসৰি)

| প্ৰথম পৰ্যায় | দ্বিতীয় পৰ্যায় | তৃতীয় পৰ্যায় |
|---|---|---|
| ● শব্দ পঢ়িব পৰা, লিখিব পৰা (সৰল শব্দ)<br>● ১ ম শ্ৰেণীৰ স্তৰৰ শব্দ পঢ়িব পৰা, লিখিব পৰা।<br>● নিজৰ ঘৰুৱা আৰু মান্যভাষা ব্যৱহাৰ কৰি (২/৩ টা শব্দৰে) প্ৰশ্নোত্তৰ দিব পৰা।<br>● ঘৰুৱা ভাষাৰ শব্দবিলাকৰ মান্যৰূপ লিখিব পৰা, ক'ব পৰা।<br>● বিপৰীত শব্দ আৰু সমাৰ্থক শব্দ জনা।<br>● সাধু/কাহিনীৰ বৰ্ণনা শুনি বুজি পোৱা।<br>● যিকোনো এটা দফা পঢ়ি তাৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰ দিব পৰা, লিখিব পৰা।<br>● যিকোনো এটা দফা পঢ়ি তাৰ বিষয়ৰ লগত সংগতি থকা পোনপটীয়া আৰু আওপকীয়া প্ৰশ্নৰ উত্তৰ দিব পৰা, লিখিব পৰা। | ● ১ ম শ্ৰেণীৰ উপযোগী শব্দ বুজিব পৰা (পঠন আৰু লিখন)<br>● যতি-বিৰাম চিন অনুসৰি বাক্য পঢ়ি বুজি পোৱা।<br>● দফা পঢ়ি বুজি পোৱা।<br>● যিকোনো এটা বিষয়বস্তুৰ বিষয়ে ৩/৫ টা মান বাক্য লিখিব পৰা।<br>● প্ৰশ্ন অনুযায়ী সাধাৰণভাৱে উত্তৰ লিখিব পৰা।<br>● শব্দৰ সহযোগত বা নতুন শব্দৰ ব্যৱহাৰ কৰি বাক্য সাজিব পৰা।<br>● বিদ্যালয়ত চলিত ভাষাৰ শব্দৰ লগত মিলাই ক'ব পৰা।<br>● বৰ্ণনা কৰা সাধু, গল্প, কাহিনী, ঘটনা আদি শুনি বুজি পোৱা।<br>● পাঠৰ পৰা সোধা পোনপটীয়া আৰু আওপকীয়া প্ৰশ্নৰ উত্তৰ দিব পৰা। | ● যিকোনো সাধাৰণ পাঠ নিৰ্দিষ্ট গতিত পঢ়ি বুজি পোৱা।<br>● অপৰিচিত (নতুনকৈ পোৱা) পাঠ যেনে - হ'ৰ্ডিং, পোষ্টাৰ, লেবেল আদি পঢ়ি বুজি পোৱা।<br>● যিকোনো বিষয়, ব্যক্তি ঘটনাৰ বিষয়ে বৰ্ণনা কৰি লিখিব পৰা।<br>● বিপৰীত শব্দ আৰু সমাৰ্থক শব্দ জনা।<br>● শব্দৰ সহায়ত বাক্য সাজিব পৰা।<br>● সাধু বা ঘটনা শুনি বুজি বৰ্ণনা কৰিব পৰা।<br>● পাঠৰ যিকোনো প্ৰশ্নৰ উত্তৰ দিব পৰা।<br>● যিকোনো পাঠৰ বিষয়বস্তুৰ বিষয়ে যিকোনো প্ৰশ্ন সুধিব পৰা।<br>● যিকোনো কাহিনী, ঘটনা শুনি বুজি ব্যাখ্যা কৰিব পৰা। |

# দ্বিতীয় শ্ৰেণী (প্ৰথম পৰ্যায়)

| সপ্তাহ/মাহ | উদ্দেশ্য/শিকনীয় দিশ | ক্ৰিয়াকলাপৰ ধৰণ | সঁজুলি | বহুস্তৰীয় শিকাৰুৰ বাবে ক্ৰিয়াকলাপ |
|---|---|---|---|---|
| ৬ সপ্তাহ | ● শব্দ পঢ়িব পৰা, লিখিব পৰা (সৰল শব্দ)<br>● ১ ম শ্ৰেণীৰ পৰ্যায়ৰ শব্দ পঢ়িব পৰা, লিখিব পৰা।<br>● ঘৰুৱা আৰু মান্যভাষা ব্যৱহাৰ কৰি (২/৩ টা শব্দৰে) প্ৰশ্নোত্তৰ দিব পৰা<br>● ঘৰুৱা ভাষাৰ শব্দবিলাকৰ মান্যৰূপ লিখিব পৰা, ক'ব পৰা।<br>● বিপৰীত শব্দ আৰু সমাৰ্থক শব্দ জনা।<br>● সাধু/কাহিনীৰ বৰ্ণনা শুনি বুজি পোৱা।<br>● যিকোনো এটা দফা পঢ়ি তাৰ বিষয়ে সোধা পোনপটীয়া প্ৰশ্নৰ উত্তৰ দিব পৰা, লিখিব পৰা।<br>● যিকোনো এটা দফা পঢ়ি তাৰ বিষয়ৰ লগত সংগতি থকা পোনপটীয়া আৰু আওপকীয়া প্ৰশ্নৰ উত্তৰ দিব পৰা, লিখিব পৰা।<br>(প্ৰথম শ্ৰেণীৰ পুনৰালোচনা)<br>● 'অ' ৰ পৰা 'ন' লৈ - (২ সপ্তাহ)<br>● স্বৰচিহ্নহীন শব্দ, স্বৰচিন, স্বৰচিহ্নযুক্ত শব্দ (২ সপ্তাহ)<br>● বাকী থকা ব্যঞ্জনবৰ্ণ আৰু স্বৰচিন নথকা আৰু স্বৰচিন থকা শব্দ, বাক্য (২ সপ্তাহ) | ● সাধু কোৱা, সাধু ক'বলৈ দিয়া, সাধু ক্ৰমত সজাবলৈ দিয়া (প্ৰথম শ্ৰেণী আৰু ২য় শ্ৰেণী দুয়ো স্তৰৰ)<br>● ছাত্ৰ-ছাত্ৰীয়ে ঘৰুৱা ভাষাত কোৱা সাধু পাচত শিক্ষকে মান্য ভাষাত কোৱা আৰু আলোচনা কৰা।<br>● ঘৰুৱা ভাষাৰ শব্দৰ লগত মান্য ভাষাৰ শব্দৰ সংযোগ স্থাপন কৰা।<br>● ভংগীমা গীত গাবলৈ দিয়া, কবিতা/পদ্য আবৃত্তি কৰিবলৈ দিয়া।<br>● ভাষাৰ খেল খেলিবলৈ দিয়া।<br>● ছবি চাই বাক্য ক'বলৈ/লিখিবলৈ দিয়া।<br>● যিকোনো বিষয়বস্তুৰ বিষয়ে ক'বলৈ দিয়া। Mind Mappping খেলৰ জৰিয়তে বাক্য ক'বলৈ আৰু লিখিবলৈ দিয়া।<br>● সাধু কিতাপ পঢ়ি বিষয়বস্তুৰ বিষয়ে ক'বলৈ দিয়া।<br>● ছবি থকা দফা কাৰ্ড পঢ়িবলৈ দি বিষয়বস্তুৰ বিষয়ে ক'বলৈ দিয়া। | ● সাধুৰ ছবি তালিকা<br>● সাধুৰ ছবি কাৰ্ড<br>● কথোপকথন চাৰ্ট<br>● শব্দ কাৰ্ড (সৰল আৰু যুক্তাক্ষৰ নথকা)<br>● বৰ্ণ কাৰ্ড<br>● শব্দৰ তালিকা<br>● ছবি কাৰ্ড<br>● সাধু পুথি<br>● দফা কাৰ্ড<br>● পাঠ্যপুথি<br>● কাৰ্যপত্ৰ | কাৰ্যসমূহ কৰাৰ সময়ত শিক্ষকে সকলো শিশুকে সমভাৱে জড়িতকৰণৰ বিষয়ত গুৰুত্ব দিব। পিছপৰা শিকাৰুসকলৰ ওপৰত অধিক গুৰুত্ব দিব। প্ৰয়োজনবোধে তেনে শিশুৰ বাবে অধিক ক্ৰিয়া কলাপৰ অনুশীলন কৰোৱাব। যিসমূহ ক্ৰিয়া-কলাপ কৰোৱাব, সেইসমূহ শিশুৱে ভালপোৱা, সহজতে কৰিব পৰা বিধৰ হ'ব লাগে। |

**"শিশুৰ পঠন সুনিশ্চিত নহ'লে আন আন বিষয়ত ব্যুৎপত্তি লাভ কৰাত বাধা জন্মে"**

# দ্বিতীয় শ্ৰেণী ( দ্বিতীয় পৰ্যায় )

| সপ্তাহ/মাহ | উদ্দেশ্য/শিকনীয় দিশ | ক্ৰিয়াকলাপৰ ধৰণ | সঁজুলি | বহুস্তৰীয় শিকাৰুৰ বাবে ক্ৰিয়াকলাপ |
|---|---|---|---|---|
| ৮ সপ্তাহ | ● ২য় শ্ৰেণীৰ উপযোগী শব্দ বুজিব পৰা (পঢ়িব পৰা, লিখিব পৰা)<br>● যতি-বিৰাম চিন অনুসৰি বাক্য পঢ়ি বুজি পোৱা<br>● দফা পঢ়ি বুজি পোৱা।<br>● যিকোনো এটা বিষয়বস্তুৰ বিষয়ে ৩-৫ টা মান বাক্য লিখিব পৰা।<br>● প্ৰশ্ন অনুযায়ী সাধাৰণভাৱে উত্তৰ লিখিব পৰা।<br>● শব্দৰ সহযোগত বা নতুন শব্দৰ ব্যৱহাৰ কৰি বাক্য সাজিব পৰা।<br>● বিদ্যালয়ৰ মাধ্যম ভাষাৰ শব্দবোৰ ঘৰুৱা ভাষাৰ শব্দৰ লগত মিলাই ক'ব পৰা।<br>● বৰ্ণনা কৰা সাধু, গল্প, কাহিনী, ঘটনা আদি শুনি বুজি পোৱা।<br>● পাঠৰ পৰা সোধা পোনপটীয়া আৰু আওপকীয়া প্ৰশ্নৰ উত্তৰ দিব পৰা | ● ছবি পৰ্যবেক্ষণ কৰি ক'বলৈ দিয়া, নিজে জনা সাধু ক'বলৈ দিয়া।<br>● ছবি চাই ক্ৰম অনুসৰি সাধু/কাহিনী সজাই ক'বলৈ দিয়া।<br>● যিকোনো ছবি/বিষয়বস্তুৰ বিষয়ে ক'বলৈ আৰু লিখিবলৈ দিয়া।<br>● সৰল চমু পাঠ/দফা পঢ়িবলৈ দি তাৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰ ক'বলৈ আৰু লিখিবলৈ দিয়া।<br>● সাধুপুথি (২য় শ্ৰেণীৰ স্তৰৰ) পঢ়িবলৈ দিয়া আৰু তাৰ বিষয়ে পোনপটীয়াকৈ পাঠত থকা আৰু নথকা (পাঠৰ লগত সংগতি থকা) প্ৰশ্নৰ উত্তৰ ক'বলৈ আৰু লিখিবলৈ দিয়া।<br>● সাধুপুথি/গল্প/কাহিনী/দফাত ব্যৱহাৰ হোৱা ৃ- কাৰ, ৰেফ্, ্য - কাৰ যুক্ত শব্দ চিনাক্ত কৰা।<br>● ৃ- কাৰ, ৰেফ্, ্য - কাৰ যুক্ত শব্দৰ গঠন কৰা।<br>● সাধুপুথি/গল্প/কাহিনী/দফাত ব্যৱহাৰ হোৱা যুক্তাক্ষৰসমূহ চিনাক্ত কৰা।<br>● যুক্তাক্ষৰ গঠন কৰা আৰু ভঙা। | ● সাধুৰ ছবি তালিকা<br>● সাধুৰ ছবি কাৰ্ড<br>● সাধুৰ বাক্য কাৰ্ড<br>● সাধুৰ বাক্য তালিকা<br>● সাধুপুথি<br>● পাঠ্যপুথি<br>● কাৰ্যপত্ৰ<br>● নিৰ্দিষ্ট পৰ্যায়ৰ শব্দ, বাক্য থকা দফা কাৰ্ড।<br>● পুৰণি আলোচনী, বাতৰি কাকত, বিজ্ঞাপনৰ কাৰ্ড।<br>● শব্দ কাৰ্ড, বাক্য কাৰ্ড, শব্দ তালিকা, বাক্য তালিকা। | কাৰ্যসমূহ কৰাৰ সময়ত শিক্ষকে সকলো শিশুকে সমভাৱে জড়িতকৰণৰ বিষয়ত গুৰুত্ব দিব। পিছপৰা শিকাৰুসকলৰ ওপৰত অধিক গুৰুত্ব দিব। প্ৰয়োজনবোধে তেনে শিশুৰ বাবে অধিক ক্ৰিয়া কলাপৰ অনুশীলন কৰোৱাব। যিসমূহ ক্ৰিয়া-কলাপ কৰোৱাব, সেইসমূহ শিশুৱে ভালপোৱা, সহজতে কৰিব পৰা বিধৰ হ'ব লাগে। |

# দ্বিতীয় শ্ৰেণী ( দ্বিতীয় পৰ্যায় )

| সপ্তাহ/মাহ | উদ্দেশ্য/শিকনীয় দিশ | ক্ৰিয়াকলাপৰ ধৰণ | সঁজুলি | বহুস্তৰীয় শিকাৰুৰ বাবে ক্ৰিয়াকলাপ |
|---|---|---|---|---|
| ঐ | ঐ | • পাঠ্যপুথি / কাৰ্যপত্ৰত / ফলিত / টোকাবহীত/ব'ৰ্ডত লিখনৰ কাৰ্য কৰোৱা।<br>• শব্দ খেল, বাক্য খেল খেলিবলৈ দিয়া।<br>• পুৰণি আলোচনী, পাঠ্যপুথি, পোষ্টাৰ (জাননী ফলক) বাতৰি কাকত আদি পঢ়িবলৈ দিয়া।<br>• ভংগীমা গীত গাবলৈ দি বাক্যৰ যোগেদি ভংগীমা গীতটো প্ৰথমৰ পৰা শেষলৈ শাৰী-শাৰীকৈ ক'বলৈ দিয়া (ক্ৰম অনুসৰি)<br>• ছবি চাই নাম কোৱা আৰু ধ্বনি অনুসৰি শব্দটো হাত চাপৰি বজাই ভাঙি ভাঙি উচ্চাৰণ কৰিবলৈ দিয়া।<br>• আকৌ হাত চাপৰি বজাই ভাঙি ভাঙি উচ্চাৰণ কৰা ধ্বনিবোৰ লগ লগাই শব্দ ক'বলৈ আৰু লিখিবলৈ দিয়া। পঢ়িবলৈ দিয়া।<br>• কথোপকথন চাৰ্ট চাই ক'বলৈ আৰু লিখিবলৈ দিয়া, পঢ়িবলৈ দিয়া। | • যুক্তাক্ষৰ কাৰ্ড<br>• কথোপকথন চাৰ্ট<br>• সমাৰ্থক আৰু বিপৰীত শব্দৰ তালিকা। | কাৰ্যসমূহ কৰাৰ সময়ত শিক্ষকে সকলো শিশুকে সমভাৱে জড়িতকৰণৰ বিষয়ত গুৰুত্ব দিব। পিছপৰা শিকাৰুসকলৰ ওপৰত অধিক গুৰুত্ব দিব। প্ৰয়োজনবোধে তেনে শিশুৰ বাবে অধিক ক্ৰিয়া কলাপৰ অনুশীলন কৰোৱাব। যিসমূহ ক্ৰিয়া-কলাপ কৰোৱাব, সেইসমূহ শিশুৱে ভালপোৱা, সহজতে কৰিব পৰা বিধৰ হ'ব লাগে। |

# দ্বিতীয় শ্ৰেণী — তৃতীয় পৰ্যায়

| সপ্তাহ/মাহ | উদ্দেশ্য/শিকনীয় ফলাফল | ক্রিয়াকলাপৰ ধৰণ | সঁজুলি | বহুস্তৰীয় শিকাৰুৰ বাবে ক্রিয়াকলাপ |
|---|---|---|---|---|
| ৬ সপ্তাহ | ● যিকোনো সাধাৰণ পাঠ (সৰল বাক্য থকা) স্বাভাৱিক গতিত পঢ়ি বুজি পোৱা।<br>● অপৰিচিত (নতুনকৈ পোৱা) পাঠ আৰু হ'ৰ্ডিং, পোষ্টাৰ, লেবেল আদি পঢ়ি বুজি পোৱা।<br>● যিকোনো বিষয়, ব্যক্তি ঘটনাৰ বিষয়ে বৰ্ণনা কৰি ক'ব পৰা আৰু লিখিব পৰা।<br>● পদ্য একোটা গদ্য ৰূপত লিখিব পৰা।<br>● বিপৰীত শব্দ আৰু সমাৰ্থক শব্দ জনা।<br>● শব্দ ব্যৱহাৰ কৰি বাক্য সাজিব পৰা<br>● সাধু বা ঘটনা শুনি বুজি নিজেই ক'ব পৰা।<br>● পাঠ বিষয়ক যিকোনো পোনপটীয়া প্ৰশ্নৰ উত্তৰ দিব পৰা।<br>● পাঠৰ বাহিৰেও পাঠৰ লগত সংগতি থকা প্ৰশ্নৰ উত্তৰ দিব পৰা।<br>● পাঠৰ ওপৰত যিকোনো প্ৰশ্ন সুধিব পৰা।<br>● যিকোনো কাহিনী, ঘটনা, শুনি বুজি বৰ্ণনা কৰিব পৰা। | ● সৰু সৰু সাধু, কাহিনী, ঘটনাৰ বিষয়ে পঢ়িবলৈ দিয়া আৰু তাৰ বিষয়বস্তুৰ বিষয়ে প্ৰশ্ন উত্তৰ দিবলৈ দিয়া।<br>● শিশু সাহিত্য (সাধু, বাতৰি কাকতৰ শিশু চ'ৰা) পঢ়িবলৈ দিয়া।<br>● পোষ্টাৰ, জাননী, ফলক, টেমাত লিখা লেবেল, পেকেটৰ ওপৰৰ লেবেল আদি সংগ্ৰহ কৰি পঢ়িবলৈ দিয়া।<br>● ছবিৰ সহায়ত কোনো বিষয়, ব্যক্তি বা ঘটনাৰ বিষয়ে বৰ্ণনা কৰিবলৈ দিয়া।<br>● শব্দ কাৰ্ডৰ সহায়ত, পাঠত পোৱা নতুন শব্দৰে বাক্য সাজিবলৈ দিয়া<br>● সাধু কিতাপ পঢ়িবলৈ দি, সাধুৰ ছবি তালিকা চাবলৈ দি পুনৰ নিজৰ কথাত ক'বলৈ আৰু লিখিবলৈ দিয়া। | ● সাধু পুথি<br>● সাধু তালিকা<br>● বাতৰি কাকতৰ শিশু চ'ৰা<br>● হাতে লিখা দফা কাৰ্ড (পঠন কাৰ্ড)<br>● পঠন কাৰ্ড<br>● ছবি কাৰ্ড (বিভিন্ন বিষয়ৰ ব্যক্তি)<br>● সাধুৰ খণ্ড কাৰ্ড<br>● শব্দ কাৰ্ড (সৰল আৰু যুক্তাক্ষৰ থকা, বিপৰীত শব্দ, সমাৰ্থক শব্দ)<br>● দফা কাৰ্ড।<br>● পোষ্টাৰ | কাৰ্যসমূহ কৰাৰ সময়ত শিক্ষকে সকলো শিশুকে সমভাৱে জড়িতকৰণৰ বিষয়ত গুৰুত্ব দিব। পিছপৰা শিকাৰুসকলৰ ওপৰত অধিক গুৰুত্ব দিব। প্ৰয়োজনবোধে তেনে শিশুৰ বাবে অধিক ক্রিয়া কলাপৰ অনুশীলন কৰোৱাব। যিসমূহ ক্রিয়া-কলাপ কৰোৱাব, সেইসমূহ শিশুৱে ভালপোৱা, সহজতে কৰিব পৰা বিধৰ হ'ব লাগে। |

# দ্বিতীয় শ্ৰেণীৰ যুক্তাক্ষৰ শিকনৰ ক্ৰম

(১) (্ৰ) 'ৰ' কাৰৰ কাম প্ৰথমে কৰিব। শ, ষ, সত 'ৰ' কাৰ যোগ হ'লে হ'ব পৰা উচ্চাৰণৰ সালসলনি ছাত্ৰ-ছাত্ৰীক অধিক অনুশীলনৰ জৰিয়তে বুজাই দিব।

(২) ৰেফ (ˊ) যোগ

(৩) ৱ যোগ— দ্ব, জ্ব, ত্ব, ন্ব, শ্ব, স্ব (শ্ব, স্বত অধিক গুৰুত্ব দিব)

(৪) ্য (য়) কাৰ যোগ। এই ক্ষেত্ৰত শ,ষ, স আৰু হত য়-কাৰ যোগৰ বাবে অধিক অনুশীলন কৰোৱাব।

(৫) ন্ত, ন্দ, ন্ধ, ন্ম, দ্ধ

(৬) একে আখৰ যোগ-চ্চ, ট্ট, ত্ত, ন্ন, ল্ল, ব্ব, ম্ম

(৭) ঞ্চ, ঞ্ছ, ঞ্জ, ঙ্ক, ঙ্গ

(৮) ষ্ট, ষ্ঠ, ষ্ক, প্ত

(৯) স্ক, স্ত, স্থ, স্ন, স্প, ক্স

(১০) ম্প, ম্ব, ত্ন

ওপৰোক্ত যুক্তাক্ষৰ বিলাকৰ শিকনত শিক্ষকে অকল যুক্তাক্ষৰৰ শিকনৰ ওপৰত গুৰুত্ব দিব নালাগে। শিশুৱে ভালপোৱা গীত, সাধু, জীৱ-জন্তু, ফল-মূল, শাক-পাছলি, যান-বাহন আদি নামৰ জৰিয়তে ইতিমধ্যে প্ৰথম শ্ৰেণীৰ ভাষাৰ পাঠৰ আৰু ইয়াৰ লগত সংযোজিত যুক্তাক্ষৰ শিকনৰ আৰ্হিৰ আধাৰত কৰিব।

•••••••••••••••••••

"পাঠ আদান প্ৰদানত প্ৰতিগৰাকী শিশুৰ সক্ৰিয় অংশগ্ৰহণ সুনিশ্চিত কৰাটো বাঞ্চনীয়"

# পাঠ আদান প্ৰদানৰ আৰ্হি - ১

## (্ৰ) কাৰ

**পদক্ষেপ ১** ঃ শিক্ষকে তলৰ প্ৰশ্নকেইটাৰ লগত সংগতি ৰাখি দফা কাৰ্ড ছবিৰে সৈতে প্ৰস্তুত কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত দলত দফা কাৰ্ড দি ছবিবোৰ চাবলৈ দিব। কি দেখিছে ছাত্ৰ-ছাত্ৰীক দল অনুযায়ী ক'বলৈ দিব। শিক্ষকে দফাকাৰ্ডৰ কথাখিনি ছাত্ৰ-ছাত্ৰীক ক'ব। দুই তিনিবাৰ ক'ব।

**পদক্ষেপ ২** ঃ প্ৰশ্নৰ জৰিয়তে দফা কাৰ্ডৰ মূল শব্দকেইটা তলৰ প্ৰশ্নকেইটাৰ আৰ্হিত ছাত্ৰ-ছাত্ৰীৰ পৰা আনিব আৰু লগে লগে উচ্চাৰণ কৰি বোৰ্ডত লিখি দিব।

| | |
|---|---|
| ক) এদিন কোন মাছ মাৰিবলৈ গ'ল ? | শীলভদ্ৰ |
| খ) লগত আৰু কোন গ'ল ? | চক্ৰধৰ |
| গ) তেওঁ মোনাত জালখন কেতিয়া বিচাৰিছিল ? | প্ৰথমে |
| ঘ) তেওঁৰ ঘৈনীয়েকৰ নাম কি ? | নম্ৰতা |

**পদক্ষেপ ৩** ঃ শিক্ষকে বোৰ্ডত লিখা শব্দবোৰ বাৰে বাৰে কেবাবাৰো উচ্চাৰণ কৰোৱাব। ছাত্ৰ-ছাত্ৰীৰ মাজত দলত শব্দকাৰ্ড বিলাই দিব। এইবাৰ শিক্ষকে বোৰ্ডত লিখা এটা শব্দ ক'ব আৰু ছাত্ৰ-ছাত্ৰীয়ে নিজৰ দলত থকা সেই শব্দ কাৰ্ডখন দাঙি ধৰিব। এইদৰে প্ৰতিটো শব্দৰ বাবে কাৰ্যটো কৰোৱাব।

**পদক্ষেপ ৪** ঃ শিক্ষকে বোৰ্ডত লিখা শব্দবোৰ আখৰ (ধ্বনি) হিচাপে ভাঙি ভাঙি উচ্চাৰণ কৰোৱাব।

| | | | |
|---|---|---|---|
| যেনে - | শীলভদ্ৰ | - | শী-ল-ভ-দ্ৰ |
| | চক্ৰধৰ | - | চ-ক্ৰ-ধ-ৰ |
| | প্ৰথম | - | প্ৰ-থ-ম |
| | নম্ৰতা | - | ন-ম্ৰ-তা |

**পদক্ষেপ ৫** ঃ এইবাৰ বোৰ্ডত লিখা শব্দবোৰত পোৱা নতুন ধ্বনি (আখৰ) টোত ছাত্ৰ-ছাত্ৰীক গোলচিন দিবলৈ দিব আৰু শিক্ষকে উচ্চাৰণ কৰোৱাব।

দ্ৰ

ক্ৰ

প্ৰ

ম্ৰ

**পদক্ষেপ ৬** ঃ এইবাৰ ছাত্ৰ-ছাত্ৰীৰ দল অনুসৰি যুক্তাক্ষৰযুক্ত শব্দৰ (নিৰ্দিষ্ট যুক্তাক্ষৰৰ শব্দৰ বাহিৰেও আন যুক্তাক্ষৰযুক্ত শব্দ থকা) শব্দ কাৰ্ড দি নিৰ্দিষ্ট যুক্তাক্ষৰটো বিচাৰি উলিয়াবলৈ দিব।

**পদক্ষেপ ৭** ঃ ছাত্ৰ-ছাত্ৰীক যুক্তাক্ষৰকেইটা বোৰ্ডত লিখিবলৈ দিব আৰু লগে লগে ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ দিব। এইবাৰ শিক্ষকে যুক্তাক্ষৰকেইটা ভাঙি দেখুৱাব।

| | | | | | |
|---|---|---|---|---|---|
| দ্ৰ | = | দ + ৰ | (দই | ৰই | দ্ৰ) |
| ক্ৰ | = | ক + ৰ | (কই | ৰই | ক্ৰ) |
| প্ৰ | = | প + ৰ | (পই | ৰই | প্ৰ) |
| ম্ৰ | = | ম + ৰ | (মই | ৰই | ম্ৰ) |

**পদক্ষেপ ৮** ঃ যুক্তাক্ষৰ ভঙা-পতা কাৰ্ড দলত যোগান দি ছাত্ৰ-ছাত্ৰীক কাৰ্য কৰিবলৈ দিব।

..................

# পাঠ আদান প্ৰদানৰ আৰ্হি - ২

## ( ৰ্ ) কাৰ

**পদক্ষেপ ১** ঃ শিক্ষকে তলৰ প্ৰশ্নকেইটাৰ লগত সংগতি ৰাখি দফা কাৰ্ড ছবিৰে সৈতে প্ৰস্তুত কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত দলত দফা কাৰ্ড দি ছবিবোৰ চাবলৈ দিব। কি দেখিছে ছাত্ৰ-ছাত্ৰীক দল অনুযায়ী ক'বলৈ দিব। শিক্ষকে দফা কাৰ্ডৰ কথাখিনি ছাত্ৰ-ছাত্ৰীক ক'ব। দুই তিনিবাৰ ক'ব।

**পদক্ষেপ ২** ঃ প্ৰশ্নৰ জৰিয়তে দফা কাৰ্ডৰ মূল শব্দ যেনে - কৰ্ম, কৰ্ণ, অৰ্জুন, পাৰ্গত ছাত্ৰ-ছাত্ৰীৰ পৰা আনিব।

| | | |
|---|---|---|
| উদাহৰণ | ১) লিখা-পঢ়া কৰা ছাত্ৰৰ কি? | কৰ্ম |
| | ২) কাণক কি বোলে ? | কৰ্ণ |
| | ৩) বীৰজনৰ নাম কি ? | কৰ্ণ |
| | ৪) তেওঁৰ কাৰ লগত ৰণ হৈছিল ? | অৰ্জুন |
| | ৫) ধনুচালনাত অৰ্জুন কেনে আছিল? | পাৰ্গত |

ছাত্ৰ-ছাত্ৰীয়ে কোৱাৰ লগে লগে শিক্ষকে মুখেৰে উচ্চাৰণ কৰি ব'ৰ্ডত লিখি দিব।

**পদক্ষেপ ৩** ঃ শিক্ষকে বোৰ্ডত লিখা শব্দবোৰ বাৰে বাৰে কেবাবাৰো উচ্চাৰণ কৰোৱাব। ছাত্ৰ-ছাত্ৰীৰ মাজত দলত শব্দকাৰ্ড বিলাই দিব। এইবাৰ শিক্ষকে বোৰ্ডত লিখা এটা শব্দ ক'ব আৰু ছাত্ৰ-ছাত্ৰীয়ে নিজৰ দলত থকা সেই শব্দ কাৰ্ডখন দাঙি ধৰিব। এইদৰে প্ৰতিটো শব্দৰ বাবে কাৰ্যটো কৰোৱাব।

**পদক্ষেপ ৪ ঃ** শিক্ষকে বোৰ্ডত লিখা শব্দবোৰ আখৰ (ধ্বনি) হিচাপে ভাঙি ভাঙি উচ্চাৰণ কৰোৱাব।

যেনে -

| | |
|---|---|
| কৰ্ম | ক - ৰ্ম |
| কৰ্ণ | ক - ৰ্ণ |
| অৰ্জুন | অ - ৰ্জু - ন |
| পাৰ্গত | পা - ৰ্গ - ত (হাত চাপৰি বজোৱাই কৰোৱাব, পুনৰ শিক্ষকে ভাঙি ভাঙি উচ্চাৰণ কৰিব আৰু ছাত্ৰ-ছাত্ৰীক শব্দটো ক'বলৈ দিব।) |

**পদক্ষেপ ৫ ঃ** এইবাৰ বোৰ্ডত লিখা শব্দবোৰত পোৱা নতুন ধ্বনি (আখৰ) টোত ছাত্ৰ-ছাত্ৰীক গোলচিন দিবলৈ দিব আৰু শিক্ষকে উচ্চাৰণ কৰোৱাব।

| | |
|---|---|
| ৰ্ম | (অৰ্ম) |
| ৰ্ণ | (অৰ্ণ) |
| ৰ্জ | (অৰ্জ) |
| ৰ্গ | (অৰ্গ) |

বাৰে বাৰে কাৰ্যটো কৰোৱাব।

**পদক্ষেপ ৬ ঃ** এইবাৰ ছাত্ৰ-ছাত্ৰীৰ দল অনুসৰি যুক্তাক্ষৰযুক্ত শব্দৰ (নিৰ্দিষ্ট যুক্তাক্ষৰৰ শব্দৰ বাহিৰেও আন যুক্তাক্ষৰযুক্ত শব্দ থকা) শব্দ কাৰ্ড দি নিৰ্দিষ্ট যুক্তাক্ষৰটো বিচাৰি উলিয়াবলৈ দিব।

**পদক্ষেপ ৭ ঃ** ছাত্ৰ-ছাত্ৰীক যুক্তাক্ষৰকেইটা বোৰ্ডত লিখিবলৈ দিব আৰু লগে লগে ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ দিব। এইবাৰ শিক্ষকে যুক্তাক্ষৰকেইটা ভাঙি দেখুৱাব।

| | | |
|---|---|---|
| ৰ্ম | ৰ + ম | (ৰই মই অৰ্ম) |
| ৰ্ণ | ৰ + ণ | (ৰই ণই অৰ্ণ) |
| ৰ্জ | ৰ + জ | (ৰই জই অৰ্জ) |
| ৰ্গ | ৰ + গ | (ৰই গই অৰ্গ) |

**পদক্ষেপ ৮ ঃ** যুক্তাক্ষৰ ভঙা-পতা কাৰ্ড দলত যোগান দি ছাত্ৰ-ছাত্ৰীক কাৰ্য কৰিবলৈ দিব।

# পাঠ আদান প্ৰদানৰ আৰ্হি - ৩

## ্য -কাৰ

শিক্ষকে প্ৰথমে ছাত্ৰ-ছাত্ৰীসকলৰ লগত এটা ঘৰুৱা পৰিৱেশ সৃষ্টি কৰিব যাতে শিশুসকল সহজ হ'ব পাৰে—পিছত তলত দিয়াধৰণে পাঠদানলৈ আগবাঢ়িব।

**পদক্ষেপ ১** ঃ শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক জীৱ-জন্তু থকা অৰণ্যৰ ছবি দলত ভগাই ছবিখনৰ বিষয়ে দলত কথা পাতিবলৈ দিব। (ছবিখনৰ বিষয়ে বৰ্ণনা কৰিবলৈ ক'ব)

**পদক্ষেপ ২** ঃ শিক্ষকে অৰণ্য ছবিখনত থকা জীৱ-জন্তুৰ ছবি কাৰ্ড (সিংহ, বাঘ, ভালুক, সাপ, গঁড়, গছ-গছনি) কেইখনমান লৈ দলত ক'বলৈ দিব। (প্ৰতিজনৰ অংশ গ্ৰহণ নিশ্চিত কৰিব)।

**পদক্ষেপ ৩** ঃ শিক্ষকে ছাত্ৰ-ছাত্ৰীক দিয়া ছবি কাৰ্ডত থকা জীৱ-জন্তুৰ নামবিলাক নিজৰ নিজৰ ফলিত/বহীত লিখিবলৈ দিব। তাৰে ভিতৰত লিখিবলৈ অসুবিধা পোৱা নামবিলাকৰ বিষয়ে সুধিব।

**পদক্ষেপ ৪** ঃ ছাত্ৰ-ছাত্ৰীক অৰণ্যৰ বিষয়ে ক'বলৈ দিব। শিক্ষকে সহযোগ কৰিব।

**পদক্ষেপ ৫** ঃ এইবাৰ শিক্ষকে অৰণ্যৰ বিষয়ে থকা এটা দফা কওঁ বুলি কৈ শুনাব। পুনৰ আকৌ এবাৰ ক'ব। পিছৰ পৰা পুনৰ ক'বলৈ আৰম্ভ কৰিব, মাজে মাজে ৰৈ যাব, ছাত্ৰ-ছাত্ৰীৰ সঁহাৰি বিচাৰিব। পুনৰ ছাত্ৰ-ছাত্ৰীক দফাটোৰ কথাখিনি নিজৰ কথাত ক'বলৈ দিব।

**পদক্ষেপ ৬** ঃ এইবাৰ শিক্ষকে দফাটোৰ বিষয়ে বিভিন্ন প্ৰশ্ন সুধি ছাত্ৰ-ছাত্ৰীৰ পৰা উত্তৰ বিচাৰিব।

**পদক্ষেপ ৭** ঃ এইবাৰ শিক্ষকে প্ৰশ্নৰ জৰিয়তে পোৱা প্ৰধান শব্দবোৰ যেনে— মহাকাব্য, একলব্য, শিষ্য, অগ্ৰাহ্য আদি শব্দবোৰ মুখেৰে মাতি বোৰ্ডত লিখিব। বোৰ্ডত থকা শব্দবোৰ ছাত্ৰ- ছাত্ৰীক দুই/তিনিবাৰ পঢ়িবলৈ দিব।

**পদক্ষেপ ৮** ঃ ছাত্ৰ-ছাত্ৰীৰ মাজত শব্দ কাৰ্ডবোৰ (মহাকাব্য, একলব্য, শিষ্য, অগ্ৰাহ্য) ভগাই দিব। শিক্ষকে শব্দটো ক'ব আৰু ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকে কোৱা শব্দৰ কাৰ্ডখন দাঙি দেখুৱাব, কাৰ্যটো বাৰে বাৰে কৰোৱাব।

**পদক্ষেপ ৯** ঃ শিক্ষকে শব্দকেইটা ধ্বনি অনুসাৰে ভাঙি ভাঙি হাত চাপৰি বজাই উচ্চাৰণ কৰোৱাব।
যেনে—ম - হা - কা - ব্য, এ - ক - ল - ব্য, শি - ষ্য, অ - গ্ৰা - হ্য
শিক্ষকে শব্দ ক'ব। ছাত্ৰ-ছাত্ৰীয়ে হাত চাপৰি বজাই ভাঙি ভাঙি উচ্চাৰণ কৰিব। আকৌ শিক্ষকে ভাঙি ভাঙি চাপৰি বজাব ছাত্ৰ-ছাত্ৰীয়ে শব্দ ক'ব।
এইবাৰ এটা দলে শব্দ ক'ব আনটো দলে শব্দটো ভাঙি উচ্চাৰণ কৰিব। আকৌ এটা দলে ভাঙি ভাঙি উচ্চাৰণ কৰিলে আনটো দলে শব্দটো ক'ব। এনেদৰে বাৰে বাৰে কৰিবলৈ দিব। শিক্ষকে নতুন আখৰকেইটা উচ্চাৰণ কৰোৱাব আৰু ভাঙি দেখুৱাব।

**পদক্ষেপ ১০ ঃ** এইবাৰ শব্দবোৰৰ মাজৰ পৰা ছাত্ৰ-ছাত্ৰীক নতুনকৈ পোৱা বৰ্ণকেইটাত গোল চিন দিবলৈ দিব। শিক্ষকে নতুন আখৰকেইটা উচ্চাৰণ কৰোৱাব।

**পদক্ষেপ ১১ ঃ** এইবাৰ শিক্ষকে য - কাৰ যুক্ত শব্দ তালিকা ছাত্ৰ-ছাত্ৰীক দুজনীয়া দলত দি ভাঙি ভাঙি লিখিবলৈ দিব।

**পদক্ষেপ ১২ ঃ** শব্দ তালিকা কাৰ্ড সৰু দলত দি ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ দিব। প্ৰথমে প্ৰতিজনে এটা এটাকৈ আৰু পিছলৈ দুটা, দুটাতকৈ অধিক আৰু শেষলৈ আটাইবোৰ শব্দ।

**পদক্ষেপ ১৩ ঃ** শব্দ তালিকাৰ শব্দৰে বাক্য সাজি প্ৰথমে ক'বলৈ দি পিচত লিখিবলৈ দিব।

..............................

# পাঠ আদান প্ৰদানৰ আৰ্হি - ৪

## যুক্তাক্ষৰ শিকন

শিক্ষকে প্ৰথমে ছাত্ৰ-ছাত্ৰীসকলৰ লগত এটা ঘৰুৱা পৰিৱেশ সৃষ্টি কৰিব যাতে শিশুসকল সহজ হ'ব পাৰে—

**পদক্ষেপ ১ ঃ** শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক জীৱ-জন্তুৰ ছবিৰ তালিকা দল অনুসৰি ভগাই দি তাত থকা ছবিবোৰৰ বিষয়ে দলত কথা পাতিবলৈ দিব। (যেনে ঃ ক'ত তাকে, কি খায়, শিং থকা বা নথকা আদি)

**পদক্ষেপ ২ ঃ** শিক্ষকে তাত থকা জীৱ-জন্তুৰ ছবি কাৰ্ড কেইখনমান ল'ব আৰু সেইবোৰৰ বিষয়ে দল হিচাপে ছাত্ৰ-ছাত্ৰীক ক'বলৈ দিব। (কাৰ্যটোত দলৰ প্ৰতিগৰাকীয়ে অংশগ্ৰহণৰ সুবিধা পোৱাত শিক্ষকে গুৰুত্ব দিব)

**পদক্ষেপ ৩ ঃ** শিক্ষকে ছাত্ৰ-ছাত্ৰীক তালিকাত থকা জীৱ-জন্তুৰ নামবিলাক নিজৰ নিজৰ ফলিত লিখিবলৈ দিব। কোনকেইটা নাম লিখিবলৈ অসুবিধা পাইছে সুধিব।

**পদক্ষেপ ৪ ঃ** ছাত্ৰ-ছাত্ৰীয়ে জনা জীৱ-জন্তু সম্পৰ্কীয় সাধু ক'বলৈ দিব। শিক্ষকে সহযোগ কৰিব আৰু শলাগি যাব।

**পদক্ষেপ ৫ ঃ** এইবাৰ শিক্ষকে "ময়ো তেনে ধৰণৰ এটা সাধু কওঁ শুনাহক" বুলি "বান্দৰ আৰু শিয়াল"ৰ সাধুটো কৈ শুনাব। পুনৰ আকৌ এবাৰ ক'ব। পিছৰবাৰ পুনৰ ক'বলৈ আৰম্ভ কৰিব

মাজে মাজে ৰৈ যাব ছাত্ৰ-ছাত্ৰীৰ সঁহাৰি বিচাৰিব। ছাত্ৰ-ছাত্ৰীক সাধুটো ক'বলৈ দিব। (চমু চমু প্ৰশ্নৰ সহায় ল'ব)

**পদক্ষেপ ৬ ঃ** ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা বান্দৰ, শিয়াল আৰু মানুহজনৰ ভাও দি সাধুটো অভিনয় কৰিবলৈ দিব। (মুখা ব্যৱহাৰ কৰিব)

**পদক্ষেপ ৭ ঃ** এইবাৰ শিক্ষকে সাধুটোৰ বিষয়ে বিভিন্ন প্ৰশ্ন সুধি ছাত্ৰ-ছাত্ৰীৰ পৰা উত্তৰ বিচাৰিব। (সাধুটোত থকা আৰু সাধুটোৰ লগত সম্পৰ্ক থকা দুয়ো ধৰণৰ প্ৰশ্ন সুধিব। (পোনপটীয়া আৰু আওপকীয়া)

**পদক্ষেপ ৮ ঃ** প্ৰশ্নৰ জৰিয়তে পোৱা মূল শব্দ যেনে— বান্দৰ, কান্ধ, বন্ধু, অন্ত আদি মুখেৰে মাতি শিক্ষকে ব'ৰ্ডত লিখিব। ছাত্ৰ-ছাত্ৰীক লগত লৈ দুই তিনিবাৰ পঢ়োৱাব।

**পদক্ষেপ ৯ ঃ** ছাত্ৰ-ছাত্ৰীৰ মাজত দলত শব্দ কাৰ্ডবোৰ ভগাই দিব। শিক্ষকে শব্দটো ক'ব আৰু ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকে কোৱা শব্দটোৰ শব্দকাৰ্ডখন দেখুৱাই দাঙি ধৰিব। এইদৰে কাৰ্যটো কেইবাবাৰো কৰোৱাব।

**পদক্ষেপ ১০ ঃ** শব্দকেইটা ধ্বনি অনুসাৰে ভাঙি ভাঙি হাত চাপৰি বজাই উচ্চাৰণ কৰোৱাব। যেনে—

বা — ন্দ — ৰ; কা — ন্ধ; ব — ন্ধু, অ — ন্ত

শিক্ষকে শব্দ ক'ব ছাত্ৰ-ছাত্ৰীয়ে হাত চাপৰি বজাই ভাঙি ভাঙি উচ্চাৰণ কৰিব আকৌ শিক্ষকে ভাঙি ভাঙি চাপৰি বজাব — ছাত্ৰ-ছাত্ৰীয়ে শব্দ ক'ব। পিছত একেদৰে দল হিচাপে এটা দলে শব্দ ক'লে আনটো দলে ভাঙি ভাঙি উচ্চাৰণ কৰিব আৰু এটা দলে ভাঙি ভাঙি উচ্চাৰণ কৰিলে আনটো দলে শব্দটো ক'ব। এইদৰে বাৰে বাৰে কেইবাবাৰো ছাত্ৰ-ছাত্ৰীক কাৰ্যটো কৰিবলৈ দিব।

**পদক্ষেপ ১১ ঃ** এইবাৰ শব্দবোৰৰ মাজৰ পৰা ছাত্ৰ-ছাত্ৰীক নতুনকৈ পোৱা বৰ্ণকেইটাত গোল চিন দিবলৈ দিব। শিক্ষকে নতুন আখৰকেইটা উচ্চাৰণ কৰোৱাব আৰু ভাঙি দেখুৱাব।

**পদক্ষেপ ১২ ঃ** এইবাৰ শিক্ষকে শব্দ তালিকা ছাত্ৰ-ছাত্ৰীৰ মাজত দলত ভগাই দি যুক্তাক্ষৰ চিনাক্ত কৰি ভাঙিবলৈ দিব। শেষত যুক্তাক্ষৰ ভঙা-পতা তালিকা দি কাৰ্য কৰিবলৈ দিব।

**পদক্ষেপ ১৩ ঃ** শিক্ষকে দুজনীয়া দলত যুক্তাক্ষৰ কাৰ্ড দি ছাত্ৰ-ছাত্ৰীক ভাঙি লিখিবলৈ দিব।

**পদক্ষেপ ১৪ ঃ** ছাত্ৰ-ছাত্ৰীৰ মাজত দল হিচাপে শব্দ তালিকা কাৰ্ড দি শব্দবোৰ পঢ়িবলৈ দিব। প্ৰথমে প্ৰতিজনে এটা এটা পিছলৈ দুটা দুটা শেষলৈ দুটাতকৈ অধিক আৰু গোটেই শব্দবোৰ।

**পদক্ষেপ ১৫ ঃ** শব্দ তালিকাৰ শব্দৰে বাক্য সাজি ক'বলৈ দিব, পিছত লিখিবলৈ দিব।

# পাঠ আদান/প্ৰদানৰ আৰ্হি - ৫

## যুক্তাক্ষৰ শিকন

বান্দৰ, জলহস্তী, সূৰ্য, চন্দ্ৰ, ভেণ্ডি, প্ৰতিমা মূৰ্ত্তি, মন্দিৰ, নাৰ্জি, স্কুল, কেঙ্গেৰু, প্লাম, কৰ্দৈ, ডাক্তৰ, নাৰ্চ, ছাত্ৰ-ছাত্ৰী, বস্তা, পাল্লা, ইঞ্জিন, এন্দুৰ, ইস্ত্ৰি, উদ্ভিদ, বন্তি, খন্তি, খুন্দনা, ঘন্টা, ট্ৰাক, ট্ৰে, তক্তা, দৰ্জী আগৰখিনিৰ পিছৰ পৰা -

**পদক্ষেপ ১ ঃ** ছবি কাৰ্ডসমূহ দল হিচাপে ছাত্ৰ-ছাত্ৰীৰ মাজত ভগাই দিব। ছবি চাই ছাত্ৰ-ছাত্ৰীক নাম ক'বলৈ দিব আৰু লগে লগে শিক্ষকে ভাঙি ভাঙি মাতি শব্দবোৰ বোৰ্ডত লিখি যাব। ছাত্ৰ-ছাত্ৰীক বোৰ্ডত লিখা নামবোৰ পঢ়িবলৈ দিব।

**পদক্ষেপ ২ ঃ** এইবাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত দল হিচাপে শব্দকাৰ্ডবোৰ ভগাই দিব। ছাত্ৰ-ছাত্ৰীক ছবিৰ লগত শব্দকাৰ্ডবোৰ মিলাবলৈ দিব -

উদাহৰণ ঃ

| | |
|---|---|
| বান্দৰৰ ছবি কাৰ্ড | বান্দৰৰ শব্দ কাৰ্ড |
| মন্দিৰৰ ছবি কাৰ্ড | মন্দিৰৰ শব্দ কাৰ্ড |
| পাল্লাৰ ছবি কাৰ্ড | পাল্লাৰ শব্দ কাৰ্ড |

**পদক্ষেপ ৩ ঃ** শিক্ষকে বোৰ্ডত লিখা শব্দবোৰ আখৰ (ধ্বনি) হিচাপে ভাঙি ভাঙি উচ্চাৰণ কৰোৱাব যেনে—

বান্দৰ বা — ন্দ — ৰ

মন্দিৰ ম — ন্দি — ৰ

পাল্লা পা — ল্লা (হাত চাপৰি বজোৱাই কৰাব, পুনৰ শিক্ষকে ভাঙি ভাঙি উচ্চাৰণ কৰিব আৰু ছাত্ৰ-ছাত্ৰীক শব্দটো ক'বলৈ দিব।)

**পদক্ষেপ ৪ ঃ** এইবাৰ বোৰ্ডত লিখা শব্দবোৰত পোৱা নতুন ধ্বনি (আখৰ)টোত ছাত্ৰ-ছাত্ৰীক গোল চিন দিবলৈ দিব আৰু শিক্ষকে উচ্চাৰণ কৰোৱাব—

যেনে— ন্দ (অন্দ) উচ্চাৰণ

ল্ল (অল্ল) উচ্চাৰণ

বাৰে বাৰে কেইবাবাৰো কৰোৱাব।

**পদক্ষেপ ৫ ঃ** এইবাৰ ছাত্ৰ-ছাত্ৰীৰ দল অনুপাতে যুক্তাক্ষৰযুক্ত শব্দৰ শব্দকাৰ্ড ভগাই দি নিৰ্দিষ্ট যুক্তাক্ষৰটো (নতুনকৈ পোৱা আখৰটো) বিছাৰি উলিয়াবলৈ দিব। (একেজাতীয় যুক্তাক্ষৰৰ শব্দৰ উপৰিও ভিন্ন যুক্তাক্ষৰৰ শব্দকাৰ্ড যোগান ধৰিব)

**পদক্ষেপ ৬ ঃ** ছাত্ৰ-ছাত্ৰীক যুক্তাক্ষৰটো (কেইটা) বোৰ্ডত লিখিবলৈ দিব আৰু লগে লগে ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ দিব। এইবাৰ শিক্ষকে যুক্তাক্ষৰটো ভাঙি দেখুৱাব।

ন্দ = ন + দ ল্ল = ল + ল

**পদক্ষেপ ৭ ঃ** যুক্তাক্ষৰ ভঙা - পতা কাৰ্ড দলত যোগান দি ছাত্ৰ-ছাত্ৰীক কাৰ্য কৰিবলৈ দিব।

আগৰ পদ্ধতিসমূহৰ সহায় লৈ সকলো শিশুকে সমভাৱে গুৰুত্ব দি শিকনৰ মূল চাৰিটা দিশ (মৌখিক ভাষা বিকাশ, পঠন, লিখন আৰু ধ্বনি সচেতনতা/ চিহ্নৰ চিনাকি, বৰ্ণ আৰু শব্দ পঠন)ৰ সহযোগত পাঠদান দি অন্যকেইটা নতুন আখৰ (যুক্তাক্ষৰ) শিকাব। ২য় শ্ৰেণীৰ যুক্তাক্ষৰ শিকনৰ ক্ৰম অনুসৰি হ'ব এই যুক্তাক্ষৰৰ ক্ৰিয়া কলাপটো দ্বিতীয় পৰ্যায়ৰ আৰম্ভনিৰ পৰা কৰোৱাব।

••••••••••••••••••••••

## আৰ্হি-৬ মননশীল চিত্ৰ - এক আৰ্হি (Mind-Mapping - A Model)

শ্ৰেণীকোঠাত শিশুক শিকন কাৰ্যত ব্যস্ত ৰাখি শিশুৰ শিকন নিশ্চিত কৰোৱাটোৱে হ'ল ফল-প্ৰসু শিক্ষণ-শিকন প্ৰক্ৰিয়া। ক্ৰিয়া-কলাপৰ জৰিয়তে শিকাৰুক ব্যস্ত ৰখাটো এজন শিক্ষকৰ পাঠদানৰ ক্ষেত্ৰত থকা এক গুৰুত্বপূৰ্ণ দায়িত্ব বা কৰ্তব্য বুলি ক'লেও ভুল কোৱা নহ'ব। প্ৰতিগৰাকী শিক্ষকে পাঠদানৰ বেলিকা শিকাৰুৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰা উচিত। কাৰণ শিকাৰুৰ সক্ৰিয় অংশগ্ৰহণ অবিহনে শিকাৰুৰ শিকন অসম্ভৱ।

**"সলসলীয়াকৈ পঢ়িব পৰা আৰু পঢ়ি বুজি পোৱা দক্ষতা দুটা পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল"**

ভাষাৰ পাঠদানত ছাত্ৰ-ছাত্ৰীক সম্পূৰ্ণৰূপে জড়িত কৰি ৰাখি পাঠদান ৰসাল কৰাৰ বাবে এটা অতি লাগতিয়াল ক্ৰিয়া-কলাপ হ'ল মননশীল চিত্ৰ যাক ইংৰাজীত Mind-Mapping বুলি কয়। তলত দিয়া পদক্ষেপ সমূহৰ দ্বাৰা শ্ৰেণীকোঠাত শিক্ষক এগৰাকীয়ে Mind-Mapping ৰ ক্ৰিয়া-কলাপ সম্পাদন কৰিব পাৰে -


১) সাধাৰণতে, শিক্ষক গৰাকীয়ে যিটো পাঠ শিকায় (পদ্য বা গদ্য) সেই পাঠটিৰ মূল শব্দবোৰৰ (Key words) যিকোনো এটা শব্দ বোৰ্ডত সকলোৱে দেখাকৈ এটি বৃত্তৰ ভিতৰত লিখি দিব। পাঠ্যপুথিৰ পাঠৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ বয়স অনুসৰি শিক্ষকে আন আন শব্দও দিব পাৰে।

২) মূল শব্দটো লিখি দিয়াৰ পিছত শিক্ষকে ছাত্ৰ-ছাত্ৰীবোৰক (ব্যক্তিগত ভাৱে বা সমূহীয়া ভাৱে) মূল শব্দটোৰ লগত জড়িত শব্দবোৰ বাছি উলিয়াবলৈ দিব।

৩) শিক্ষকে ছাত্ৰ-ছাত্ৰীক বোৰ্ডৰ ওচৰলৈ নি শব্দবোৰ লিখিবলৈ দিব পাৰে। কেতিয়াবা ছাত্ৰ-ছাত্ৰীক শব্দবোৰ ক'বলৈ দি শিক্ষকজনেও শব্দবোৰ স্পষ্টকৈ সকলোৱে দেখাকৈ লিখিব পাৰে।

৪) মাজে-মাজে এই ক্ৰিয়া-কলাপটো ছাত্ৰ-ছাত্ৰীসকলক দলত কৰিবলৈও দিব পাৰে। দলত ক্ৰিয়া-কলাপটি দিলে ছাত্ৰ-ছাত্ৰীবোৰে নিজা নিজা দলত অধিক শব্দ উলিওৱাৰ সুবিধা পাব। দলত শব্দবোৰ বাছি উলিওৱাৰ পাছত প্ৰতিটো দলকে বোৰ্ডত শব্দবোৰ লিখিবলৈ দিব পাৰে।

৫) শব্দবোৰ বাছি উলিয়াই লিখাৰ পিছত সেই শব্দবোৰৰ সহায়ত অৰ্থপূৰ্ণ বাক্য গঠন কৰিবলৈ দিব। ক্ৰমান্বয়ে অধিক শব্দ লগ-লগাই বাক্য গঠন কৰিবলৈ দিব পাৰে। প্ৰয়োজন সাপেক্ষে শিক্ষকে নিজে দুই/এটা উদাহৰণ দেখুৱাই দিব পাৰে। তলত দ্বিতীয় মান শ্ৰেণীৰ উপযোগী মননশীল চিত্ৰৰ এটি উদাহৰণ দাঙি ধৰা হ'ল।



**বাক্য গঠনৰ উদাহৰণ ঃ-**

১) অৰণ্যত গছ্-গছনি থাকে।

২) অৰণ্যত গছ্-গছনি, বনৰীয়া জীৱ-জন্তু থাকে।

৩) অৰণ্যত বাঘ, সিংহ, হাতী, শিয়াল আদি জীৱ-জন্তু থাকে। ইত্যাদি এইদৰে ছাত্ৰ-ছাত্ৰীয়ে কোনো বিষয়ে ৰচনা আদিও লিখিব পাৰে।

শিক্ষকে বাক্যবোৰ গঠন কৰিবলৈ দি মৌখিকভাৱে ক'বলৈও দিব পাৰে বা বোৰ্ডত অথবা নিজৰ বহীত লিখিবলৈ দিব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে লিখাৰ পিছত শিক্ষকে চাই দিব লাগে। এই ক্ৰিয়া কলাপটো কৰোঁতে শিক্ষকে চোকা নজৰ ৰাখিব লাগে যাতে শ্ৰেণীটোৰ প্ৰতিগৰাকী শিকাৰুৱে অংশগ্ৰহণ কৰিছে। শিক্ষকে প্ৰতিদিনে উক্ত ক্ৰিয়া-কলাপটি পাঠদান কাৰ্যত বিশেষকৈ ভাষাৰ পাঠদানত ক্ৰিয়া-কলাপটি প্ৰয়োগ কৰিব লাগে কিয়নো ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ শব্দ ভাণ্ডাৰ টনকিয়াল হয়, প্ৰতিযোগিতামূলক মনোভাৱ গঢ়ি উঠে, সৃজনী শক্তিৰ বিকাশ হয়, ভাষাৰ বিকাশ হয়, ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ বৃদ্ধি হয়, ছাত্ৰ-ছাত্ৰী আভিৰোচিত হোৱাৰ উপৰি আন আন দিশৰো বিকাশ ঘটে।